অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

প্ৰসংগ : এজবেক/সভা/২২/২০ তাৰিখ : ২৫-১১-২০২০

**অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ (AJBEC) প্ৰতিনিধি সভা**

আমাৰ ৰাজ্যখনৰ শৈক্ষিক, বৌদ্ধিক, ভাষা-সাহিত্য, কলা-কৃষ্টি আদি দিশত নিজস্ব পৰিচয় আৰু কাৰ্য্যপদ্ধতিৰে জাতীয় বিদ্যালয়সমূহে এক অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদে (AJBEC) নেতৃত্ব প্ৰদান কৰা আৰু এই নেতৃত্বৰ প্ৰতি আস্থা প্ৰকাশ কৰা জাতীয় বিদ্যালয়সমূহে সমন্বিত ৰূপত কাম-কাজ আগবঢ়াই আহিছে। প্ৰতি বছৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদে ৰাজ্যখনৰ জাতীয় বিদ্যালয়সমূহৰ প্ৰতিনিধি সভা আয়োজন কৰি আহিছে। সময়ৰ গতিৰ লগে লগে জাতীয় বিদ্যালয়সমূহৰ সামগ্ৰিক কাম-কাজ আৰু অৱস্থাৰ উন্নীতকৰণৰ ক্ষেত্ৰত এনে প্ৰতিনিধিসভাসমূহে অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অহা ১২ ডিছেম্বৰ আৰু ১৯ ডিছেম্বৰ, ২০২০ তাৰিখে দুটা ভাগত ৰাজ্যৰ বিভিন্ন জিলাৰ জাতীয় বিদ্যালয়সমূহৰ দুখন প্ৰতিনিধিমূলক সভাৰ আয়োজন কৰা হৈছে।

প্ৰথম পৰ্য্যায়ত ১২/১২/২০২০ তাৰিখে তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, চৰাইদেউ, যোৰহাট, মাজুলী, গোলাঘাট, কাৰ্বি আংলং, মৰিগাঁও, দৰং, শোণিতপুৰ, বিশ্বনাথ, লখিমপুৰ, ধেমাজি জিলাৰ জাতীয় বিদ্যালয়সমূহৰ প্ৰতিনিধি সভাখন অনুষ্ঠিত হ'ব।

সেইদৰে ১৯/১২/২০২০ তাৰিখে নলবাৰী, বৰপেটা, বাস্কা, চিৰাং, বঙাইগাঁও, ওদালগুৰি, ধুবুৰী, গোৱালপাৰা, নগাঁও, হোজাই, কোকৰাঝাৰ জিলাৰ জাতীয় বিদ্যালয়সমূহৰ প্ৰতিনিধি সভাখন অনুষ্ঠিত হ'ব।

দুয়োখন সভা দিনৰ ১০ বজাৰ পৰা অনুষ্ঠিত হ'ব। সভাৰ স্থান : অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী, অসম।

ক'ভিড সাবধানতাৰ প্ৰতি লক্ষ্য ৰাখি সভালৈ প্ৰতিখন বিদ্যালয়ৰ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, সম্পাদক আৰু প্ৰধান শিক্ষক-শিক্ষয়িত্ৰীৰ যিকোনো এজনক আহিবলৈ অনুৰোধ জনোৱা হৈছে। সকলোৰে আন্তৰিক সহায়-সহযোগিতা কামনা কৰা হ'ল।

সচিব
অসম জাতীয় বিদ্যালয়
শিক্ষা সংসদ